২১. বঙলা ভাষাৰে সৈতে অসমীয়া ভাষাৰ কামৰূপী উপভাষাৰ কোনো কোনো ঠাইত মিল আছে। দুয়ো ঠাইতে ওচৰা-উচৰিকৈ থকা অক্ষৰ দুটাত 'আ' ধ্বনি থাকিব পাৰে; যেনে— চাকা (কাম. বঙলা), চকা (মা. অস.)। দুয়ো ঠাইত শব্দৰ আদি বা প্ৰথম অক্ষৰত বলাঘাত পৰা হেতুকে মধ্যবৰ্তী অক্ষৰ লুপ্ত হয়; যেনে— কুম্‌ৰা, কাক্‌ৰা (কাম.), কুম্‌ড়া, কাক্‌ড়া (বঙলা)। দুয়ো ঠাইত স্বৰ-সংগতিৰ ফলত কিছুমান শব্দই সমৰূপতা লাভ কৰে; যেনে— মধু > মোধু (কাম. বঙলা), ম'ধু (মা. অস.)।

---

১৮. Kakati, B., *Asppects of Early Assamese Literature*, p. 2

১৯. Kakati, B., *Assamese Its Formation and Development*, 1941, p. 5

বঙলাত পোৱা চ, জ, শ, ট, ড আদি ধ্বনি গোৱালপৰীয়া উপভাষাত আছে, কিন্তু কামৰূপী আৰু মান্য অসমীয়াত নাই। অসমীয়াত সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া অনুযায়ী কৰ্তাৰ পিছত প্ৰথমা বিভক্তি যোগ হয়। বঙলাত এনে নিয়ম নাই। অধিকৰণ অৰ্থত পৰসৰ্গ 'মধ্যে'ৰ ব্যৱহাৰ কামৰূপীত আছে যেনে— ঘৰমধ্যে (ঘৰত)। বঙলাত এনে নিয়ম নাই। সৰ্বনাম, শব্দ-বিভক্তি, ক্ৰিয়া-বিভক্তি, বহু-বচনৰ প্ৰত্যয়, ক্ৰিয়া বিশেষণ, ক্ৰিয়াৰ নাস্ত্যৰ্থক ৰূপ, প্ৰতিধ্বন্যাত্মক শব্দৰ গঠন পদ্ধতি, তুমুনন্ত ক্ৰিয়া-ৰূপ, অসমাপিকা ক্ৰিয়া-ৰূপ, বিশেষণৰ তুলনা আদিৰ ক্ষেত্ৰত অসমীয়া ভাষাই সুকীয়া ৰূপ ৰক্ষা কৰিছে। উদাহৰণ— মই (অস.), আমি (বঙলা); মোক (অস.) আমাকে/আমায় (বঙলা); তোমালোক (অস.), তোম্ৰা (বঙলা); তাই (অস.), সে (বঙলা); কোন (অস.), কে (বঙলা); সি (অস.), সে (বঙলা); গছত (অস.), গাছে/গাছেতে (বঙলা); ক'লে (অস.), বললো (বঙলা); ধুম (অস.), ধোব (বঙলা); গছবোৰ (অস.), গাছগুলো (বঙলা); মানুহবোৰ (অস.), লোকগুলো (বঙলা); মাইকী মানুহবোৰ (অস.), স্ত্ৰী লোকগুলি (বঙলা); আকৌ (অস.), আবাৰ (বঙলা); আজি (অস.), আজ (বঙলা); কেতিয়া (অস.), কখন/কবে (বঙলা); ক'ত (অস.), কোথায় (বঙলা); তাত (অস.), সেখানে/ওখানে (বঙলা); ইতা/এইতা (কাম.), এতিয়া (মা. অস.), এখন (বঙলা); নাচাবা/নেচাবা (অস.), চেওনা (বঙলা); নথ'বা (অস.), ৰেখো না (বঙলা); দাত-চাত (কাম), দাঁত-চাঁত (মা. অস.), দাঁত-টাঁত (বঙলা); খাবলৈ (অস.), খেতে (বঙলা); দি (অস.), দিয়ে (বঙলা); খাই (অস.), খেয়ে (বঙলা); তোমাতকৈ ডাঙৰ (অস.), তোমাৰ চেয়ে বড়ো (বঙলা); সকলোতকৈ ভাল (অস.) সব, সেয়ে ভাল (বঙলা)।

২১.১ অসমীয়া আৰু বঙলাৰ মাজত থকা আন কেইটামান পাৰ্থক্য তলত দিয়া ধৰণৰ ঃ

১। শব্দমূলক ঃ

| **অসমীয়া** | **বঙলা** |
|---|---|
| আইতা | ঠাকুৰ মা |
| উৰহ | ছাৰপোকা |
| ওচৰত | কাছে |
| কুঁহিয়াৰ | আখ |
| ককাদেউতা | ঠাকুৰ দাদা /দাদামশাই |
| গোমধান | ভুট্টা |

| | |
|---|---|
| চিলা (উৰোৱা) | ঘুড়ি |
| চুবুৰীয়া | প্রতিবাসী |
| চোতাল | উঠান |
| ছোৱালী | মেয়ে |
| জেঠী | টিকটিকি/গিৰগিটি |
| ডেউকা | বোলতা |
| থিয় | খাড়া |
| পথাৰ | মাঠ |
| বতাহ | হাওয়া |
| বৰষুণ | বৃষ্টি |
| বাঢ়নী | ঝাটা |
| ভোক | ক্ষুধা |
| মধুৰিআম | পেয়াৰা |
| মাত্র | শুধু |
| ৰাতিপুৱা | ভোৰ |
| ৰাতি | ৰাত/ৰাত্রি |
| ল'ৰা | ছেলে |
| শহাপহু | খৰগোস |
| শিপা | শিকড় |
| সৈতে | সঙ্গে |

২। বাক্য গঠনমূলক ঃ

| | |
|---|---|
| তোমাৰ দেউতাৰা কোন? | তোমাৰ বাবা কে? |
| তাৰ মাক ক'ত আছিল? | তাৰ মা কোথায় ছিল? |
| মই ইয়াত আছোঁ। | আমি এখানে আছি। |
| সি ঘৰত আছিল। | সে বাড়িতে ছিল। |
| হাবিত ভালুক থাকে। | ভালুক বনে থাকে। |
| পানীত কাঠ ওপঙে। | কাঠ জলে ভাসে। |
| ঘৰটো নৈখনৰ দাঁতিত। | বাড়ীটা নদীৰ ধাৰে। |
| নৈখন বহুত দূৰত। | নদীটা অনেক দূৰে। |
| মোৰ ভোক লাগিছে। | আমাৰ খিদে পেয়েছে। |

| | |
|---|---|
| তুমি ক'লৈ যোৱা? | তুমি কোথায় যাচ্ছ? |
| তোমাক কি লাগে? | তুমি কি চাও? |
| তুমি কি ক'লা? | কি বললে? |
| মই তাক ক'ম নে? | ওকে বলব কি? |
| তোমাৰ দেউতাৰা ক'ত? | তোমাৰ বাবা কোথায়? |
| তুমি বিয়া কৰাইছা নে? | তোমাৰ কি বিবাহ হয়েছে? |
| তাক কি লাগে? | ও কি চায়? |
| ভেকুলীটোৱে টোৰটোৰাই আছে। | ব্যাঙ ডাকছে। |
| ছোৱালীজনী পানী আনিবলৈ গৈছে। | মেয়েটি জল আনতে গেছে। |
| আমি দূৰলৈ যাওঁ ব'লা। | চল আমৰা আৰও এগই। |
| সেইটো সঁচা নে? | তা কি সত্যি? |